**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-09-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ভাৰতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যৰ বিষয়টো অধিক প্ৰতিনিধিত্বমূলক কৰাৰ হকে মত পোষণ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত সম্প্ৰতি নতুন দিল্লীত নতুনকৈ গঠিত অনুসন্ধান ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেচনৰ পৰিচালনা পৰিষদৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হৈছে।

৩। নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী ৰাই পেটনে কৈছে যে ৰাজ্যখনত অবৈধ প্ৰব্ৰজনকাৰীৰ বিষয়টোক লৈ সতৰ্ক হৈ থকাৰ লগতে এনেধৰণৰ ঘটনা ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব।

৪। উত্তৰাখণ্ডৰ প্ৰয়াগৰাজ জিলাৰ সোণপ্ৰয়াগৰ সমীপত কেডাৰনাথ ৰাষ্ট্ৰীয় ঘাইপথত ধাৰাসাৰ বৰষুণৰ বাবে কালি বিয়লি হোৱা ভূমিস্খলনৰ ফলত ৫ জন তীৰ্থ যাত্ৰীয়ে প্ৰাণ হেৰুৱায় আৰু অন্য তিনিজন আহত হয়।

আৰু

৫। পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় দলটো স্বদেশলৈ উভতি আহিছে।

0000000

ভাৰতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যৰ বিষয়টো অধিক প্ৰতিনিধিত্বমূলক কৰাৰ হকে মত পোষণ কৰিছে। নিৰাপত্তা পৰিষদৰ ক্ষেত্ৰত ৰাজনৈতিক মতানৈক্যই শান্তি ৰক্ষাৰ অভিযানসমূহক প্ৰভাৱিত কৰি আহিছে বুলি উল্লেখ কৰি বিশেষকৈ আফ্ৰিকাৰ অংশগ্ৰহণেৰে পৰিষদক অধিক কাৰ্যকৰী কৰাৰ বিষয়ত নতুন দিল্লীয়ে গুৰুত্ব আৰোপ কৰে।

ৰাষ্ট্ৰসংঘত ভাৰতৰ নৱ-নিযুক্ত স্থায়ী সদস্য পি হৰিশে কালি নিৰাপত্তা পৰিষদত দিয়া তেওঁৰ প্ৰথমটো ভাষণত কয় যে শেহতীয়া কেইটামান বছৰত নিৰাপত্তা পৰিষদত পৰিলক্ষিত হোৱা ৰাজনৈতিক ঐক্যৰ অভাৱে ৰাষ্ট্ৰসংঘৰ শান্তি ৰক্ষাৰ প্ৰক্ৰিয়াত নেতিবাচক প্ৰভাৱ পেলাইছে। সাম্প্ৰতিক সময়ৰ বাস্তৱিকতাৰ প্ৰতি লক্ষ্য ৰাখি নিৰাপত্তা পৰিষদক বিশেষকৈ স্থায়ী সদস্য পদৰ বিষয়টোক অধিক প্ৰতিনিধিত্বমূলক কৰা উচিত বুলি তেওঁ মত প্ৰকাশ কৰে। শান্তি ৰক্ষা প্ৰক্ৰিয়াক অধিক শক্তিশালী কৰি তোলাৰ হকে অনুষ্ঠিত বিতৰ্কত অংশগ্ৰহণ কৰি শ্ৰী হৰিশে লগতে কয় যে ৰাষ্ট্ৰসংঘৰ শান্তি ৰক্ষাৰ প্ৰক্ৰিয়াত ভাৰত সৰ্ববৃহৎ অৱদান আগবঢ়োৱা দেশ হিচাপে বিবেচিত হৈ আহিছে। বিগত ৭টা দশকত শান্তি ৰক্ষাৰ এনে অৰ্ধ শতাধিক অভিযানত ভাৰতৰ আঢ়ৈ লাখৰো অধিক সুৰক্ষা কৰ্মীয়ে অংশগ্ৰহণ কৰিছে।

000000000

ৰাষ্ট্ৰসংঘই মানৱ অধিকাৰ পৰিষদৰ মুৰব্বী ৰ'লকৰ টৰ্কৰ জৰিয়তে গাজা অঞ্চলৰ সংঘৰ্ষৰ অৱসান ঘটোৱাৰ বাবে পুনৰাই আহ্বান জনাইছে। ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ পৰিষদৰ ৫৭ সংখ্যক অধিৱেশনক সম্বোধন কৰি শ্ৰী টৰ্কে কালি এই বিষয়ে প্ৰকাশ কৰে। ভাষণত তেওঁ যুদ্ধৰ অৱসান ঘটোৱাৰ বাবে আৰু আঞ্চলিক সংঘৰ্ষক অগ্ৰাধিকাৰৰ ভিত্তিত সমাধানৰ প্ৰতিশ্ৰুতিবদ্ধতাত গুৰুত্ব আৰোপ কৰে।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত সম্প্ৰতি নতুন দিল্লীত নতুনকৈ গঠিত অনুসন্ধান ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেচনৰ পৰিচালনা পৰিষদৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হৈছে। বৈঠকত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত আছে। ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০-ৰ পৰামৰ্শ অনুযায়ী অনুসন্ধান ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেচন গঠন কৰা হৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ বিশ্ববিদ্যালয়, মহাবিদ্যালয়, গৱেষণা প্ৰতিষ্ঠান আৰু গৱেষণা তথা উন্নয়ন পৰীক্ষাগাৰত গৱেষণা আৰু উদ্ভাৱনৰ সংস্কৃতি সুদৃঢ় কৰাৰ উদ্দেশ্যে এই ফাউণ্ডেচন গঠন কৰা হৈছে। অনুসন্ধান ৰাষ্ট্ৰীয় গৱেষণা ফাউণ্ডেচন, দেশত বৈজ্ঞানিক গৱেষণাৰ বাবে উচ্চ পৰ্যায়ৰ কৌশলগত দিশ প্ৰদানৰ সৰ্বোচ্চ নিকায়।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্ম বঁটাৰ বাবে প্ৰেৰণাদায়ক ব্যক্তিৰ নাম মনোনীত কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে। এই বঁটাৰ বাবে মনোনয়নৰ অন্তিম দিন অহা ১৫ ছেপ্তেম্বৰ ধাৰ্য কৰা হৈছে। সামাজিক মাধ্যমত এই বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে এই বঁটাৰ বাবে ভালে সংখ্যক মনোনয়ন লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে, বিগত দশকটোত চৰকাৰে তৃণমূল পৰ্যায়ৰ

অসংখ্য নায়কক পদ্ম সন্মানেৰে সন্মানিত কৰি আহিছে। এই সন্মান প্ৰাপকসকলৰ জীৱন যাত্ৰাই অগণন লোকক উদ্বুদ্ধ কৰা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, এই লোকসকলৰ কামকাজত দৃঢ়তা আৰু অধ্যৱসায় স্পষ্টভাৱে প্ৰতিফলিত হয়। এই বঁটা প্ৰদান প্ৰক্ৰিয়াক অধিক স্বচ্ছ আৰু অংশীদাৰমূলক কৰি তোলাৰ বাবে চৰকাৰে জনসাধাৰণৰ পৰা এই বঁটাৰ বাবে মনোনয়ন বিচাৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০০

প্ৰতিৰক্ষা সচিব গিৰিধৰ আৰমানে কাইলৈ ফিলিপাইন্‌ছৰ ৰাজধানী মনিলাত হ'বলগীয়া ভাৰত-ফিলিপাইন্‌ছ যুটীয়া প্ৰতিৰক্ষা সহযোগিতা কমিটীৰ পঞ্চমলানি বৈঠকত সহ-অধ্যক্ষতা কৰিব। ফিলিপাইন্‌ছৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অবৰ সচিব ইৰিনিঅ' ক্ৰুজ এছপিন'ই শ্ৰী আৰমানেৰ সৈতে এই বৈঠকত সহ-অধ্যক্ষতা কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে শ্ৰী আৰমানে দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষা সহযোগিতা অধিক সুদৃঢ় কৰাৰ উপায় সম্পৰ্কে আলোচনা কৰিব। তেওঁ লগতে ফিলিপাইন্‌ছ চৰকাৰৰ অন্য বিশিষ্ট ব্যক্তিক সাক্ষাৎ কৰিব। ভাৰত আৰু ফিলিপাইন্‌ছৰ মাজত প্ৰতিৰক্ষা সহযোগিতা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই যুটীয়া প্ৰতিৰক্ষা কমিটীখন গঠন কৰা হৈছে। ২০১২ চনত মনিলাত কমিটীৰ প্ৰথমখন বৈঠক আৰু ২০১৭ চনত দিল্লীত দ্বিতীয়খন বৈঠক অনুষ্ঠিত হৈছিল। ভাৰত আৰু ফিলিপাইনছে দুয়ো দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বছৰ আৰু ভাৰতৰ এক্ট ইষ্ট নীতিৰ দশম বৰ্ষপূৰ্তি উদযাপন কৰাৰ পৰিপ্ৰেক্ষিতত শ্ৰী আৰমানেৰ এই ভ্ৰমণ বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে।

০০০০০০০০০

ৰাজ্য চৰকাৰে বিগত ৩ বছৰত জাতি-মাটি-ভেটি ৰক্ষাৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে আৰু ভূমি, সম্পদ আৰু সংস্কৃতি সুৰক্ষিত নোহোৱালৈকে এই প্ৰচেষ্টা অব্যাহত ৰাখিব। এনে প্ৰচেষ্টাৰ অংশ হিচাপে চৰকাৰে অসম চুক্তিৰ ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলী ৰূপায়ণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। একেদৰে ৰাজ্যখনত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়নৰ বাবে আবেদন জনোৱাসকলৰ নামত আধাৰ কাৰ্ড জাৰি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি থলুৱা সম্প্ৰদায়সমূহৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ৰাজ্যত জনজাতীয় বেষ্টনী আৰু খণ্ড গঠন কৰাৰ বাবে বিশেষ বিধেয়ক যুগুতোৱাৰ ব্যৱস্থা কৰা হৈছে। কঠোৰ শাস্তিৰ জৰিয়তে লাভ জেহাদ সমস্যাৰ সন্মুখীন হোৱাৰ বাবেও এখন বিধেয়ক যুগুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা ব্যৱস্থা কৰিছে।

০০০০০০০০

নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী ৱাই পেটনে কৈছে যে ৰাজ্যখনত অবৈধ প্ৰব্ৰজনকাৰীৰ বিষয়টোক লৈ সতৰ্ক হৈ থকাৰ লগতে এনেধৰণৰ ঘটনা ৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব। গৃহ মন্ত্ৰালয়ৰো দায়িত্বত থকা শ্ৰী পেটনে জনসাধাৰণক এইবুলি আশ্বাস দিয়ে যে অবৈধ প্ৰব্ৰজন ৰোধ কৰাৰ বাবে জিলা প্ৰশাসন, আৰক্ষী আৰু অন্য কেন্দ্ৰীয় আৰু ৰাজ্যিক সংস্থাসমূহ সম্পূৰ্ণৰূপে সাজু হৈ আছে। ছুম'কেডিমাত কালি নাগৰিক সমাজৰ সৈতে অনুষ্ঠিত অবৈধ প্ৰব্ৰজন বিষয়ক এখন বৈঠকত অধ্যক্ষতা কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে।

০০০০০০০০০

অপেচাদাৰী নাট্যদল সমাহাৰ নাট্যগোষ্ঠীয়ে গুৱাহাটীৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত ১২ৰ পৰা ১৫ ছেপ্তেম্বৰলৈ ব্ৰজনাথ শৰ্মা সোঁৱৰণি আন্তঃৰাজ্যিক নাট সমাৰোহৰ আয়োজন কৰিছে। ২০০৭ চনৰ পৰা প্ৰতিবছৰে এই সমাৰোহৰ আয়োজন কৰি অহা হৈছে।

০০০০০০০০০

অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানে আজি নতুন দিল্লীত ধঁপাতৰ আসক্তি নিৰাময়ৰ বাবে এটা সুকীয়া চিকিৎসা কেন্দ্ৰ মুকলি কৰে। ৰাষ্ট্ৰীয় ঔষধনিৰ্ভৰ চিকিৎসা কেন্দ্ৰ আৰু হাওঁফাওঁ, জটিল আৰু নিদ্ৰাজনিত ৰোগৰ চিকিৎসা বিভাগৰ সহযোগত এই কেন্দ্ৰটো বিকশাই তোলা হৈছে। ধঁপাতৰ প্ৰতি আসক্তিত ভোগা লোকসকলক সহায় কৰাই এই উদ্যমৰ মূল উদ্দেশ্য। এই কেন্দ্ৰটো মুকলি কৰি দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান-এইম্‌ছৰ সঞ্চালক ডাঃ এম শ্ৰীনিবাসে কয় যে 'ধঁপাতমুক্ত এইম্‌ছ' উদ্যমৰ অংশ হিচাপে সুস্থ বাতাবৰণ গঢ়ি তোলাৰ দিশৰ পৰা এই কেন্দ্ৰটো গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি বিবেচিত হ'ব।

০০০০০০০০০

উত্তৰাখণ্ডৰ প্ৰয়াগৰাজ জিলাৰ সোণপ্ৰয়াগৰ সমীপত কেডাৰনাথ ৰাষ্ট্ৰীয় ঘাইপথত ধাৰাসাৰ বৰষুণৰ বাবে কালি বিয়লি হোৱা ভূমিস্খলনৰ ফলত ৫ জন তীৰ্থ যাত্ৰীয়ে প্ৰাণ হেৰুৱায় আৰু অন্য তিনিজন আহত হয়। এই ঘটনাৰ পাছতে ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনী আৰু স্থানীয় আৰক্ষীয়ে ক্ষিপ্ৰতাৰে ব্যৱস্থা গ্ৰহণ কৰি আটাইকেইটা মৃতদেহ উদ্ধাৰ কৰে। আহত তীৰ্থযাত্ৰী তিনিগৰাকীক প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ভৰ্তি কৰোৱা হয়। নিহত লোককেইজনৰ ভিতৰত ৩ জন মধ্য প্ৰদেশৰ, এজন

গুজৰাটৰ আৰু এজন নেপালৰ বুলি জানিব পৰা গৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। ইপিনে, সোণপ্ৰয়াগৰ সমীপৰ ভূমিস্খলন প্ৰভাৱিত পথছোৱা পথযাত্ৰীৰ বাবে মুকলি কৰি দিয়া হৈছে। ভূমিস্খলনৰ ফলত আৱদ্ধ হৈ পৰা গৌৰীকুণ্ড অভিমুখী তীৰ্থযাত্ৰীসকলক নিৰাপদে সোণপ্ৰয়াগলৈ অনা হৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় দলটো স্বদেশলৈ উভতি আহিছে। নতুন দিল্লীত ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত দলটোক ঢোলে-দগৰে আৰু ফুলৰ মালাৰে বিপুলভাৱে আদৰণি জনোৱা হয়। উল্লেখযোগ্য যে ভাৰতে এইবাৰৰ পেৰালিম্পিকত ৭টা সোণ, ৯ টা ৰূপ আৰু ১৩ টা ব্ৰঞ্জৰ পদকেৰে উল্লেখনীয় প্ৰদৰ্শন আগবঢ়াইছে।

০০০০০০০০০

**সমাপ্ত**